জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্ৰসঙ্গ ..............................                                                                 দিনাংক ২৫/০৭/২০২৫

## লক্ষ্য ইউ.পি.এচ.চি.; আছুৰ বিশেষ প্ৰকল্প 'প্ৰত্যাশা'

## দিল্লীত প্ৰশিক্ষণৰ বাবে ১০ আগষ্টত বাছনি পৰীক্ষা; আবেদনৰ শেষ তাৰিখ ৪ আগষ্ট

**গুৱাহাটী, ২৫ জুলাই, ২০২৫ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ 'প্ৰত্যাশা' প্ৰকল্পৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ পূৰ্ণকালীন প্ৰশিক্ষণৰ বাবে অসমৰ ২৬ গৰাকী পৰীক্ষাৰ্থী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যৰপৰা (নেছ'ৰ জৰিয়তে) ১৪ গৰাকী, অৰ্থাৎ মুঠ ৪০ গৰাকী পৰীক্ষাৰ্থীক দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। দিল্লীৰ নিৰ্বাচিত প্ৰশিক্ষণ প্ৰতিষ্ঠানত তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। দিল্লীত প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলৰ বাছনিৰ বাবে প্ৰক্ৰিয়াটো ছাত্ৰ সন্থাই আৰম্ভ কৰিছে।

ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীউৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শ্ৰীসমীৰণ ফুকনে এই কথা সদৰি কৰি কয় যে- দিল্লীত প্ৰশিক্ষণৰ গ্ৰহণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলৰ বাবে আবেদন প্ৰক্ৰিয়া মুকলি কৰি দিছে ছাত্ৰ সন্থাই। ইং ২৬ জুলাই তাৰিখৰপৰা www.aasu.org.in ৱেবচাইটৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আবেদন কৰিব পাৰিব। অহা ৪ আগষ্ট পৰ্যন্ত আবেদন প্ৰক্ৰিয়া মুকলি থাকিব। আবেদনকাৰী ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলৰ মাজৰপৰা দিল্লীত প্ৰশিক্ষণৰ বাবে ২৬ গৰাকী পৰীক্ষাৰ্থী বাছনি কৰিবলৈ ১০ আগষ্ট তাৰিখে গুৱাহাটীৰ ৰয়েল গ্লোবেল বিশ্ববিদ্যালয় প্ৰাংগনত এটি বাছনি পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। বাছনি পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ বাবে এটি মৌখিক পৰীক্ষাও অনুষ্ঠিত হ'ব। পৰীক্ষা সন্দৰ্ভত সবিশেষ ছাত্ৰ সন্থাৰ ৱেবচাইট, সামাজিক মাধ্যমৰ পেইজ আৰু নিৰ্বাচিত বাতৰি কাকতত বিজ্ঞাপন হিচাপে প্ৰকাশ পাব। নিৰ্বাচিত প্ৰশিক্ষাৰ্থীসকলক দিল্লীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত নামভৰ্তিৰ মাচুল আৰু প্ৰশিক্ষণৰ মাচুল ছাত্ৰ সন্থাই সম্পূৰ্ণভাৱে বহন কৰিব। ইয়াৰ উপৰিও প্ৰশিক্ষাৰ্থীসকলক মাহিলি এটি জলপানি প্ৰদান কৰা হ'ব।

এই সমগ্ৰ পৰিকল্পনাটো আগুৱাই নিয়াৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক অলক কুমাৰ বুঢ়াগোঁহাই, অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা অৱসৰপ্ৰাপ্ত IAS বিষয়া শ্ৰীসুভাষ চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত IAS বিষয়া শ্ৰীহিমাংশু শেখৰ দাস, ভাৰতীয় ৰেল সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া শ্ৰীৰবীন কলিতা আৰু একাংশ প্ৰাক্তন তথা বৰ্তমানৰ অসামৰিক সেৱাৰ বিষয়াৰপৰা পৰামৰ্শ গ্ৰহণ কৰি ছাত্ৰ সন্থা আগবাঢ়িব।

(শ্ৰীউৎপল শৰ্মা)
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

(শ্ৰীসমীৰণ ফুকন)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা